**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 20-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে দূৰদৰ্শী শাসন আৰু বিশ্ব নেতাসকলৰ সৈতে গঠনমূলক আলোচনাৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে বিশ্ব দৰবাৰত দেশৰ মৰ্যাদা আৰু প্ৰভাৱ বৃদ্ধি কৰিছে।

২। বিভিন্ন কল্যানমূলক আঁচনি আৰু সজাগতামূলক পদক্ষেপৰ দ্বাৰা নিজকে সৱল কৰি জনজাতীয় সম্প্ৰদায়সমূহে দেশৰ উন্নয়ন যাত্ৰাৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মহাৰাষ্ট্ৰৰ কোলহাপুৰত এহেজাৰ ৪৪৫ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ শ্ৰীঅম্বাবাই মন্দিৰ উন্নয়ন প্ৰকল্প শুভাৰম্ভ কৰে।

৪। সমগ্ৰ বিশ্বতে কাইলৈ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। ***আৰু***

৫। চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আফগানিস্তানে ভাৰতক জয়ৰ বাবে ২১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভূয়সী প্ৰশংসা কৰি কয় যে দূৰদৰ্শী শাসন আৰু বিশ্ব নেতাসকলৰ সৈতে গঠনমূলক আলোচনাৰ জৰিয়তে তেওঁ বিশ্ব দৰবাৰত দেশৰ মৰ্যাদা আৰু প্ৰভাৱ বৃদ্ধি কৰিছে। ওডিশাৰ ময়ুৰভঞ্জ জিলাৰ ৰায়ৰংপুৰত মোহন চৰণ মাঝিৰ নেতৃত্বৰ ৰাজ্য চৰকাৰখনৰ দুবছৰীয়া কাৰ্যকাল পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতে বিশ্বত শান্তি আলোচনা আৰু সহযোগিতাৰ কণ্ঠ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে বিশ্বৰ বহুকেইটা অঞ্চল সংঘাত আৰু অনিশ্চয়তাৰে যুজি থকাৰ সময়তে ভাৰতে কূটনৈতিক আলোচনা আৰু পাৰস্পৰিক বুজাবুজিৰে বিবাদ মিমাংশাৰ পোষকতা কৰি আহিছে। কোৱিড-১৯ মহামাৰীৰ সময়ছোৱাত দেশে আগবঢ়োৱা মানৱীয় সাহায্যৰ কথা স্মৰণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে প্ৰতিষেধক, অক্সিজেন আৰু জৰুৰীকালিন চিকিৎসা সামগ্ৰী যোগান ধৰি বহু ৰাষ্ট্ৰক সহায় কৰিছিল যাৰ জৰিয়তে বিশ্বজনিন সংহতি আৰু মানৱ কল্যানৰ প্ৰতি থকা দেশৰ দায়বদ্ধতা প্ৰতিফলিত হৈছিল। দেশৰ দীৰ্ঘকালৰ বাবে নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীমোদীক ৰাষ্ট্ৰপতিগৰাকীয়ে অভিনন্দন জনাই আৰু দেশ সেৱাৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাক প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বই দেশক সমৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিৰ দিশে আগুৱাই লৈ যাব বুলি শ্ৰীমতীয়ে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও অংশগ্ৰহণ কৰে।

00000

কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কল্যানমূলক আঁচনি আৰু সজাগতামূলক পদক্ষেপৰ দ্বাৰা নিজকে সৱল কৰি জনজাতীয় সম্প্ৰদায়সমূহে দেশৰ উন্নয়ন যাত্ৰাৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ওডিশাৰ ময়ুৰভঞ্জ জিলাৰ ৰায়ৰংপুৰত মোহন চৰণ মাঝিৰ নেতৃত্বৰ ৰাজ্য চৰকাৰখনৰ দুবছৰীয়া কাৰ্যকাল পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে দশক দশক জুৰি জনজাতীয় লোকসকলে সন্মুখীন হৈ অহা বঞ্চনাৰ স্থান বৰ্তমান শিক্ষা, স্বাস্থ্য, জীৱিকা আৰু সামাজিক প্ৰগতিৰ নতুন সুযোগে লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ওডিশা চৰকাৰক দুবছৰীয়া কাৰ্যকালত লাভ কৰা সাফল্যৰ বাবে প্ৰশংসা কৰে আৰু শ্ৰীমাঝিৰ নেতৃত্বত ৰাজ্যখনে দ্ৰুত উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে বুলি মন্তব্য কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে ৪৭ হাজাৰ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ  বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে পূব ভাৰতৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পুৰ্বোদয় দৃষ্টিভংগীৰ কথা দোঁহাৰে। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক জন্মদিনৰ শুভেচ্ছা জনোৱাৰ লগতে আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতিগৰাকীৰ জন্মভূমি ময়ুৰভঞ্জৰ পাহাৰপুৰৰ গাওঁখন ভ্ৰমণ কৰাটো সৌভাগ্যৰ বিষয় বুলি উল্লেখ কৰে। ময়ুৰভঞ্জৰ এগৰাকী জিয়ৰীয়ে দেশৰ সৰ্বোচ্চ সাংবিধানিক পদ অলংকৃত কৰাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে পাহাৰপুৰত শীঘ্ৰেই নৱীকৰণযোগ্য শক্তিৰে পৰিচালিত আৰু আধুনিক ৰাজহুৱা আন্তঃগাথনিৰে সুসজ্জিত সৌৰগাওঁ হিচাপে গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰে। ওডিশাৰ ৰাজ্যপাল ড০ হৰিবাবু তাম্ভাপতি আৰু মুখ্যমন্ত্ৰী শ্ৰী মাঝি এই অনুষ্ঠানত উপস্থিত থাকে।

00000

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি মহাৰাষ্ট্ৰৰ কোলহাপুৰত এহেজাৰ ৪৪৫ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ শ্ৰীঅম্বাবাই মন্দিৰ উন্নয়ন প্ৰকল্প শুভাৰম্ভ কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবীজ আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে আয়োজিত সভাত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে কয়, যে ঐতিহাসিক কাৰ্বিৰত থকা শ্ৰীঅম্বাবাই মন্দিৰ সমগ্ৰ দেশৰ ভক্তসকলৰ এটি প্ৰধান বিশ্বাস আৰু উপাসনাৰ কেন্দ্ৰ। তেওঁ কয় যে প্ৰকল্পটোৰে মন্দিৰটোৰ ঐতিহাসিক সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যক সুৰক্ষিত ৰাখি ইয়াক আধুনিক তথা তীৰ্থযাত্ৰীক আকৰ্ষিত কৰিব পৰা স্থানত পৰিণত কৰিব। তেওঁ কয় যে এই প্ৰকল্পটোৱে ভক্তসকলৰ সা-সুবিধা বৃদ্ধি কৰাৰ লগতে ধৰ্মীয় পৰ্যটন কেন্দ্ৰ হিচাপে কোলহাপুৰৰ স্থান উন্নীত কৰিব। শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ টা বছৰত উন্নয়ন, সাংস্কৃতিক পুনৰুজ্জীৱন, ৰাষ্ট্ৰীয় সুৰক্ষা আদিৰ ক্ষেত্ৰত দেশে বিশেষভাৱে অগ্ৰগতি লাভ কৰিছে। তেওঁ কয় যে এই সময়ছোৱাক দেশৰ ইতিহাসে ৰূপান্তৰকাৰী বিকাশৰ সময় হিচাপে স্মৰণ কৰিব। দেশৰ সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে সমগ্ৰ দেশতে গুৰুত্বপূৰ্ণ ধৰ্মীয় আৰু ঐতিহাসিক ক্ষেত্ৰসমূহ সংৰক্ষণ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।   তেওঁ কয় যে অম্বাবাই মন্দিৰ উন্নয়ন প্ৰকল্পই কেৱল তীৰ্থযাত্ৰীৰ ববে আন্তঃগাথনি উন্নয়ন কৰাই নহয় বৰঞ্চ কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টি কৰাৰ লগতে স্থানীয় অৰ্থনীতিও উন্নীত কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগতে সীমা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। এই অভিলাষী মন্দিৰ উন্নয়ন প্ৰকল্পটোৱে ঐতিহাসিক স্থান সুৰক্ষিত কৰাৰ লগতে অঞ্চলটোৰ পৰ্যটনকেন্দ্ৰিক উন্নয়নক ত্বৰান্বিত কৰিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হুগলি জিলাৰ তাৰাকেশ্বৰত আয়োজিত পশ্চিমবংগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ লগতে দেশৰ ৯ কোটি ৪৪ লাখৰো অধিক কৃষক উপকৃত কৰাৰ বাবে ১৮ হাজাৰ ৮৮০ কোটি টকাৰ পি এম কিষাণ আঁচনিৰ ২৩ সংখ্যক কিস্তি মুকলি কৰি দিয়ে। শ্ৰীমোদীয়ে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী শুৱেন্দু অধিকাৰীৰ সৈতে পশ্চিমবংগ দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ লগতে ৰে'ল, কৃষি, গ্ৰাম্য উন্নয়ন, মীন পালন আৰু পশুপালন ক্ষেত্ৰৰ সৈতে জড়িত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ উন্নয়নৰ হ'কে বিজেপি চৰকাৰে দ্ৰুত গতিত কাম কৰা আৰম্ভ কৰিছে। তেওঁ লগতে ঐতিহাসিক পশ্চিমবংগ দিৱসে ৰাজ্যখনৰ উন্নয়নক অনুপ্ৰাণিত কৰিব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

কাইলৈ বিশ্বজুৰি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ উদযাপন কৰা হ'ব। এইবাৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে সুস্থ বাৰ্ধক্যৰ বাবে যোগ বিষয়বস্তুৰে যোগাসন সুস্থ, সক্ৰিয় আৰু মৰ্যাদাপূৰ্ণ বয়স বৃদ্ধিৰ বাবে আজীৱন অনুশীলন হিচাপে গ্ৰহণ কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হৈছে। পশ্চিম বংগৰ কলকাতাৰ ঐতিহাসিক ৰেড ৰোডত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ৰ মূল অনুষ্ঠান অনুষ্ঠিত হব য'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক যোগসানৰ অনুশীলনত নেতৃত্ব দিব। পুৱা ৫:০০ বজাৰ পৰা ৰেড ৰোডত হ'বলগীয়া ৰাষ্ট্ৰীয় উদযাপনৰ আৰম্ভণিতে সভাস্থলীত হাজাৰ হাজাৰ যোগ অনুৰাগীয়ে অংশগ্ৰহণ কৰিব, আনহাতে সমগ্ৰ ভাৰত আৰু বিদেশৰ পৰা লাখ লাখ নাগৰিকে ভাৰ্চুৱেলি যোগদান কৰাৰ সম্ভাৱনা আছে। এই অনুষ্ঠানে স্বাস্থ্য, সম্প্ৰীতি আৰু সামূহিকভাৱে প্ৰসাৰিত কৰা এক বিশ্বব্যাপী আন্দোলন হিচাপে যোগৰ ক্ৰমবৰ্ধমান ভূমিকাক পুনৰ দৃঢ় কৰিব।

ইপিনে, সাংস্কৃতিক মন্ত্ৰালয়ে, ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য, ঐতিহাসিক স্থান আৰু যোগ পৰম্পৰাক সংযোগ কৰি দেশৰ ১০০টা ঐতিহাসিক স্থানত বিশেষ যোগ উদযাপনৰ আয়োজন কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে নতুন দিল্লীৰ লালকিল্লা, উত্তৰাখণ্ডৰ হৰিদ্বাৰ, ওড়িশাৰ কোনাৰ্ক, কৰ্ণাটকৰ হাম্পী, তামিলনাডুৰ মহাবলীপুৰম, মহাৰাষ্ট্ৰৰ মুম্বাই, বিহাৰৰ নালন্দা, গুজৰাটৰ আহমেদাবাদ, উত্তৰ প্ৰদেশৰ সাৰনাথ, তেলেংগানাত হায়দৰাবাদ, লাডাখৰ লেহ আৰু অসমৰ শিলচৰকে ধৰি বাৰটা বিশিষ্ট স্থানত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। ভাৰতীয় সাংস্কৃতিক সম্বন্ধ পৰিষদৰ সমন্বয়ত বিদেশৰ ২১০ টাতকৈও অধিক ভাৰতীয় দুতাবাসে সমগ্ৰ বিশ্বৰ প্ৰায় ২ হাজাৰ ৫০০ স্থানত যোগ অনুষ্ঠানৰ আয়োজন কৰিব। ইপিনে দিল্লীত শান্তিপথ, যমুনা স্প'ৰ্টছ কমপ্লেক্স, কৰ্তব্য পথ, নিউ মোটি বাগ, চি পি চেণ্ট্ৰেল পাৰ্ক, টালকতোৰা গাৰ্ডেন আৰু যমুনা স্প'ৰ্টছ কমপ্লেক্সকে ধৰি বিশেষ ৰাজহুৱা স্থানত যোগ উদযাপনৰ আয়োজন কৰা হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ কোৰিয়াই লোক প্ৰশাসন আৰু ডিজিটীয় প্ৰশাসনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ বাবে উভয় দেশৰ প্ৰতিশ্ৰুতিদ্ধতাক দোঁহাৰিছে। আজি নতুন দিল্লীত কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙ দক্ষিণ কোৰিয়াৰ গৃহ আৰু সুৰক্ষা মন্ত্ৰী য়ুন হুজুংগৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ডিজিটীয় প্ৰশাসন, ই প্ৰশাসন, সামৰ্থ বৃদ্ধি আৰু নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদানৰ ক্ষেত্ৰত উভয় দেশৰ সহযোগিতাত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত ড০ সিঙে কয় যে ভাৰত আৰু দক্ষিণ কোৰিয়া উভয়ে গণতান্ত্ৰিক প্ৰমূল্য আৰু ঐতিহ্যৰ লগতে আইনৰ শাসনৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীসিঙে লগতে উভয় দেশে লোক প্ৰশাসন আৰু উদ্ভাৱন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে বুজাবুজিৰ চুক্তি চূড়ান্ত কৰাৰ বাবে আলোচনা কৰা বুলি উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানে আজি গোৱাৰ পানাজীত আয়োজিত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত দলটোৰ সাংগঠনিক প্ৰস্তুতি পৰ্যালোচনা কৰে। দলীয় কৰ্মীসকলক উদ্দেশ্যি দিয়া ভাষণত শ্ৰীমুৰুগানে প্ৰতিগৰাকী যোগ্য নাগৰিকে যাতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সুবিধা লাভ কৰিব পাৰে তাক নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। গোৱাৰ ৪০ টা বিধানসভা সমষ্টিতে দলীয় সংগঠন শক্তিশালী কৰাৰ বাবে আহ্বান জনাই শ্ৰীমুৰুগানে লগতে অহা বছৰ হ'বলগীয়া বিধানসভা নিৰ্বাচনত দলটোৱে যাতে  বৃহৎ সাফল্য লাভ কৰিব পাৰে তাৰ বাবেও দলীয় কৰ্মীসকলক তৃণমূল পৰ্যায়ত কাম কৰিবলৈ আহ্বান জনায়। গোৱা বিজেপিৰ সভাপতি দামোদৰ নায়কে দলটোৱে ৪০ টা সমষ্টিতে প্ৰতিদ্বন্দিতা আগবঢ়াব বুলি উল্লেখ কৰি ৩০ টা সমষ্টিতে জয়লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। শ্ৰীনায়কে লগতে কয় যে নিৰ্বাচনী মিত্ৰতা সম্পৰ্কত সঠিক সময়ত দলৰ কেন্দ্ৰীয় নেতৃত্বই সিদ্ধান্ত গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ ড০ প্ৰমোদ চাৱন্ত, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীপদ নায়কৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ নেতাই বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০

চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আফগানিস্তানে ভাৰতক জয়ৰ বাবে ২১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ১৫ অভাৰ ৩ টা বলত এটাও উইকেট নেহেৰুৱাকৈ ১২৩ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে ইতিমধ্যে শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

ভাৰতৰ অস্মিতা চলিহা মাকাও অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত কোৰিয়াৰ পাৰ্ক গা য়ুনৰ বিৰুদ্ধে  ২১-১৭, ২১-৯ ছেটত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ